জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬৮/২০২০

কামৰূপ মহানগৰ জিলাৰ মালৈবাৰীত কৃষকে ধান চপোৱা কাৰ্য পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

# প্ৰতি বছৰৰ অক্টোবৰ মাহৰ ভিতৰতে কৃষকসকললৈ মানসম্পন্ন বীজৰ যোগান ধৰাৰ বাবে কৃষি বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

## ৰাজ্যখনৰ অৰ্থনীতি টনকিয়াল কৰাৰ দিশত কৃষি খণ্ডই উজ্জ্বল সম্ভাৱনীয়তা বহন কৰিছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৯ মে’ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কামৰূপ মহানগৰ জিলাৰ মালৈবাৰী অঞ্চল পৰিদৰ্শন কৰি ইয়াৰ কৃষকসকলে কৰি থকা কৃষি কাৰ্যৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই অঞ্চলৰ কৃষকসকলে বৰ্তমানে ধানখেতি চপাই থকা কাৰ্যও প্ৰত্যক্ষ কৰি কৃষকসকলৰ লগত মত-বিনিময় কৰে। ৰাজ্যখনৰ কৃষি বিভাগে কৃষকসকলৰ মাজত বিতৰণ কৰা ধান চপোৱা যন্ত্ৰৰ কৰ্মপদ্ধতিৰো মুখ্যমন্ত্ৰীয়ে আজিৰ এই পৰিদৰ্শন কালতে বুজ লয়।

এই পৰিদৰ্শনৰ সময়ত উপস্থিত থকা সাংবাবিদকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ক’ভিড-১৯ ৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে জনসাধাৰণৰ সহযোগত যুঁজ দি থকাৰ লগতে ৰাজ্যখনত অৰ্থনৈতিক কাম-কাজ পুনৰ আৰম্ভ কৰাৰ ওপৰতো চৰকাৰে গুৰুত্ব প্ৰদান কৰিছে। এই ক্ষেত্ৰত ৰাজ্যখনৰ কৃষকসকলে পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। লক্‌ডাউনৰ সময়ছোৱাত ৰাজ্যখনৰ কৃষক আৰু কৃষি উদ্যোগীসকলে দেশৰ বিভিন্ন প্ৰান্তলৈ কৃষিজাত সামগ্ৰী ৰপ্তানি কৰি ৩৫৭ কোটি টকাৰ ব্যৱসায় কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনৰ কৃষি খণ্ডই সম্প্ৰতি বৃহৎ সম্ভাৱনীয়তা বহন কৰিছে আৰু লক্‌ডাউনৰ সময়ছোৱাই এই কথা পুনৰবাৰ প্ৰতীয়মান কৰিছে। অসমে কৃষি, পশুধন, মীন ইত্যাদি খণ্ডত আত্মনিৰ্ভৰশীল হ’ব পাৰে বুলি উল্লেখ কৰি এই দিশত ৰাজ্যখনৰ কৃষকসকলে নতুন উদ্যমৰে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত নামি পৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্যখনৰ যুৱকসকলক কৃষিক জীৱিকা হিচাপে গ্ৰহণ কৰাৰ বাবে আহ্বান জনাই লক্‌ডাউনৰ ফলত ৰাজ্যখনলৈ ঘূৰি অহা অসমৰ যুৱকসকলক সংস্থাপনৰ দিশত কৃষিয়ে বৃহৎ সম্ভানীয়তা বহন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে অসমৰ কৃষিজাত সামগ্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ লগতে আমাৰ ওচৰতে থকা দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ ৰপ্তানি কৰাৰ পদক্ষেপৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। ৰাজ্যখনৰ কৃষকসকলৰ মাজত কৃষি বিভাগে প্ৰতি বছৰৰ অক্টোবৰ মাহৰ ভিতৰতে মানসম্পন্ন বীজ যোগান ধৰাৰ বাবে নিৰ্দেশ দি মুখ্যমন্ত্ৰীয়ে কয় যে কৃষকৰ মাজত সময়মতে বীজ যোগান ধৰাৰ পদক্ষেপে কৃষিৰ উৎপাদন বৃদ্ধি কৰাত বৃহৎ অৰিহণা যোগাব পাৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ‘মেক ইন ইণ্ডিয়া’ পদক্ষেপৰ দৰে ‘মেক ইন আছাম’ পদক্ষেপৰো মুখ্যমন্ত্ৰীয়ে পোষকতা কৰাৰ লগতে প্ৰধানমন্ত্ৰীৰ লোকেল-ভোকেল-

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

গ্লবেল আহ্বানৰ প্ৰতিও সকলোকে আন্তৰিকতাৰে সহযোগ কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। দেশৰ অৰ্থনীতি টনকিয়াল কৰাৰ বাবে আমি স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী ব্যৱহাৰ কৰাৰ উপৰি স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী জনপ্ৰিয়কৰণৰ বাবেও আমি সকলোৱে পদক্ষেপ ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

বৰ্তমান সময়ত অৰ্থনৈতিক কাম-কাজ ত্বৰান্বিত কৰাৰ উপৰি ক'ভিড-১৯ ৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰাৰ বাবে সামাজিক দূৰত্ব তথা অন্যান্য ক'ভিড-১৯ সম্বন্ধীয় প্ৰট'কল কঠোৰভাৱে মানি চলাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

আজিৰ এই পৰিদৰ্শনকালত কৃষি মন্ত্ৰী অতুল বৰা, গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, দিছপুৰ বিধানসভা সমষ্টিৰ বিধায়ক অতুল বৰা আৰু লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা উপস্থিত থাকে।

**স্বাঃডেঃ / বঃভাঃ / পুঃডেঃ**
**১৯/৫/২০২০**